

# সূৰ্যৰতী শাখা সাহিত্য সভা

ৰহা ঃ নগাঁও ঃ অসম

## সম্বৰ্দ্ধনা-পত্ৰ

প্ৰতি,

সন্মানীয় ৰাজশ্ৰী বৰা

১৬ মাৰ্চ ২০২১

নমস্কাৰ

শ্ৰদ্ধা গ্ৰহণ কৰিব। সাহিত্য, সংস্কৃতি এটা জাতিৰ সম্পদ। ভাষা জাতিৰ আয়ুস ৰেখা। ভাষা আৰু সংস্কৃতিৰ চৰ্চাত নিমগ্নসকলে নীৰৱে এটা জাতিৰ সমৃদ্ধিৰ হকে কাম কৰি থাকে। আপুনি ভাষা সাহিত্যৰ বিষয়ত শিক্ষকতা কৰাৰ লগতে ইয়াৰ চৰ্চাত আত্মনিয়োগ কৰিছে। স্কুলীয়া দিনৰে পৰা সাহিত্যৰ চৰ্চা কৰি "মাধৱ কন্দলী আৰু কৃত্তিবাসী ৰামায়ণৰ বিষয়বস্তু ঃ এটি তুলনামূলক অধ্যয়ন" বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰালৈকে এক দীঘলীয়া সময় আপুনি অসমীয়া সাহিত্যৰ সৈতে নিমগ্ন হৈ আছে।

সংগীতালেখ্য, গল্প, গ্ৰন্থ সম্পাদনা, কবিতা, প্ৰবন্ধ ৰচনাৰে এই প্ৰচেষ্টা আপুনি আজিও অবিৰতভাৱে অব্যাহত ৰাখিছে। অসম প্ৰকাশন পৰিষদৰ বঁটা (১৯৮৪), অসম সংঘ (আমেৰিকা)ৰ সত্যেশ বণিক্য সোঁৱৰণী বঁটা (১৯৮৯) আৰু শেহতীয়াকৈ "ভাষা-সাহিত্য আৰু সমাজ-সংস্কৃতি জিলিঙণি" গ্ৰন্থৰ বাবে পুষ্পাদেৱী জালান সাহিত্য বঁটা (২০২০) লাভ কৰি আপুনি নিজৰ লগতে আমাকো গৌৰৱান্বিত কৰিছে।

এই সুযোগতে আমি আপোনালৈ হিয়াভৰা ওলগ আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

আপোনাৰ সাহিত্য চৰ্চা অব্যাহত থাকক। আপোনাৰ জৰিয়তে উন্মোচিত হওক সাহিত্যৰ নতুন নতুন দিশ।

আপোনাৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

ধন্যবাদেৰে

শ্ৰী তুলুপ্ৰভা শইকীয়া
তুলুপ্ৰভা শইকীয়া
সভাপতি

ৰুণুমী বৰা
সম্পাদক